

—প্রমণীবস্থ—

ত্রিধাৰাৰ কবিৰ জীৱনৰ সাধনা, লক্ষ্য— অৱহেলিত উৎপীড়িত সমাজক এটা মহান মানৱতাৰ ফালে আগ-বঢ়াই নিয়া। সমাজ-সেৱাৰ কঠিন ব্ৰতৰ মাজত তেখেতে নিজক আজিও ৰাখিছে দুঃখবহুল কৰি।

তেখেতৰ মানৱসমাজৰ বেদীত জীৱন সাধনাৰ শিলনিৰ তিনিটা ফাকেদি বৈ অহা তিনিটি নিজৰা —ত্রিধাৰা।

সাৰস্বত ভৱনৰ প্ৰথম অৱদান

—আঠ অনা—

CURZON HALL LIBRARY
GAUHATI—ASSAM.



ধৰণীধৰ দাস

সাৰস্বত ভৱন, গুৱাহাটী

প্ৰকাশক—

সাৰস্বত ভৱন

গুৱাহাটী

প্ৰথম প্ৰকাশ

বহাগ

৪৯৯ শকবাদ

প্ৰিণ্টাৰ—

শ্ৰীবহুনাথ দাস

জয়ন্তী আৰ্ট প্ৰেছ, গুৱাহাটী।

# চৈধ্যটি গীতি-কবিতা


বন্দে মাতৰম্

স্বাধীন ভাৰত

বন্দী অসম

* * *

বিদ্ৰোহী জনতা

বন্দী বিদায়

সৰ্ব্বহাৰাৰ গান

অন্ধকাৰৰ পথিক

জয় শিখা

পৃথিৱীৰ স'তে যাত্ৰা

* * *

জীৱন বন্ধন

বালিচৰ

স্মৃতিৰ সমাধি

ভুল

সমাপন

# ত্ৰিধাৰা

যুগৰ দাবী—বাস্তৱ সাহিত্য লাগে ; অৰ্থাৎ বাস্তৱ সমাজৰ বিষয়ে লিখা সাহিত্য।

পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰতে ঘাইকৈ বাস্তৱ সমাজ আৰু সমাজ-বিকাশ নিৰ্ভৰশীল। যুগৰ পাৰিপাৰ্শ্বিক অৱস্থা যি সাহিত্যৰ মাজেদি আত্মপ্ৰকাশ কৰে সেয়ে সেই যুগৰ বাস্তৱ সাহিত্য। তাৰ মাজেদি পোৱা যায়—সমাজ-জীৱনৰ প্ৰকৃত ৰূপ ; তাৰ সুখ-দুখ, ঘাত-প্ৰতিঘাত, আচাৰ-বিচাৰ, জয়-পৰাজয় প্ৰভৃতি। সময় আৰু ঠাই বিশেষে পাৰিপাৰ্শ্বিক অৱস্থাই পৃথক ৰূপ লয়। সমাজ-জীৱনৰ বিভিন্ন ভাবধাৰা সমূহ হল—ঠিক তাৰেই প্ৰতিৰূপ, প্ৰতিক্ৰিয়া আৰু প্ৰতিফলন। তাকে সাহিত্যত ৰূপ দিয়াই হৈছে বাস্তৱ সাহিত্যিকৰ কৰ্ত্তব্য।

বাস্তৱ সাহিত্য সম্বন্ধে বৰ্ত্তমান সময়ত নানা মত। বাস্তৱ সাহিত্য ঠিক বহিৰ্জ্জগতৰ ঘটনাৱলীৰ ফটোগ্ৰাফী বা ডায়েৰীও নহয় ; অথবা অন্তৰ্জগতৰ যুক্তিহীন মনে গঢ়া ৰহস্যজালো নহয়।

ভাৰতীয় সাহিত্যিকৰ ওপৰত আজি বাস্তৱ সাহিত্য সৃষ্টি কৰাৰ বিৰাট ভাৰ। বাস্তৱ সমাজৰ যত ত্ৰুটী-ভুল-মিথ্যা, দুৰ্ব্বলতা-ভীৰুতা আৰু অমানুষিকতা আছে—তেওঁলোকে জন-সাধাৰণৰ চকুৰ আগত দাঙি ধৰিব লাগিব একহাতে ; আৰু আন হাতে ধৰিব লাগিব ভৱিষ্যত নতুন সমাজৰ চিত্ৰ। এই সম্পাদন সহজ নহয়। এই কামৰ বাবে তেওঁলোকে পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত গঢ়ি উঠা আজিৰ ভাৰতীয় সমাজৰ ভাৱৰাজ্যৰ লগত ভালদৰে পৰিচিত হব লাগিব।

বৰ্ত্তমানে ভাৰতত তিনিটা মুখ্য ভাৱধাৰাৰ সংমিশ্ৰণ চলিছে— পৰস্পৰৰ ভিতৰত দ্বন্দ্ব আৰু সমন্বয়ৰ মাজেদি সমাজ আগ বাঢ়িছে। জাতীয়, গণ আৰু ব্যক্তি জীৱন লৈয়ে এই তিনিও ভাৱধাৰাৰে গতি-প্ৰবাহ। পৰাধীন দেশত জাতীয়তাৰ স্থান অতি সুগভীৰ। নানা নিষ্পেষণ আৰু অব্যৱস্থাৰ কাৰণে গণজীৱন অতীব করুণ আৰু বিদ্ৰোহৰ উপাদানেৰে ভৰপূৰ। সমাজৰ অব্যৱস্থিত অৱস্থাৰ কাৰণেই ব্যক্তি-জীৱন নৈৰাশ্যময় আৰু বিকাৰগ্ৰস্ত; নানা মন-গঢ়া ভ্ৰান্ত কল্পনাৰ দ্বাৰা পৰিবাহিত। এনে অৱস্থাত ব্যক্তি-জীৱনত বাস্তৱ জগতৰ পৰা পলায়ন মনোবৃত্তি বৃদ্ধি পোৱা স্বাভাৱিক। সবল আদৰ্শবাদৰ দ্বাৰাই কেতিয়াবা কোনো ব্যক্তি জীৱনে সমাজৰ সীমা অতিক্ৰম কৰি বহু আঁতৰলৈ যায় যদিও ই ব্যক্তিগত। তাৰ লগত সমগ্ৰ সমাজক নিব নোৱাৰে।

ব্যক্তি, সমষ্টি (গণ) আৰু জাতীয় জীৱন পৰস্পৰ বিচ্ছিন্ন নহয়, মূলতঃ পৰস্পৰ বিৰোধীও নহয়। কিন্তু দেখা যায় পৰস্পৰৰ দ্বন্দ্বৰ মাজেদিয়ে পাৰস্পৰিক সমন্বয় সাধিত হয়। বৰ্ত্তমান সময়ত ভাৰতবৰ্ষত ভীষণ সংঘৰ্ষৰ মাজেদি ব্যক্তি, সমষ্টি আৰু জাতীয় জীৱনৰ কেনে এটা সমন্বয় গঢ়ি উঠিব ধৰিছে চাবলগীয়া। ব্যৰ্থতাৰ মাজেদি ব্যক্তি জীৱনে সমষ্টি জীৱনৰ লগত আপোন সত্বা মিলাব ধৰিছে; জাতীয় জীৱনো গৈ সমষ্টি (গণ) জীৱনলৈ ৰূপান্তৰিত হব ধৰিছে। আধুনিক সাহিত্যত—গত্ত কৱিতা, নাটক, উপন্যাসৰ মাজেদি এই বিভিন্ন ভাবধাৰাৰ

দ্বন্দ্ব-সমন্বয়ৰ ৰূপ প্ৰকাশ কৰাৰ তীব্ৰ চেষ্টাকে দেখা গৈছে। 'ত্ৰিধাৰা' তেনে এটা ৰূপ-বিন্যাসৰ প্ৰচেষ্টা।

ত্ৰিধাৰাত ওপৰত উল্লিখিত এই তিনি ভাৱধাৰাৰে গীতি কৱিতা কেইটিমান সন্নিৱিষ্ট কৰা হৈছে।

জাতীয় সঙ্গীত, জন-সঙ্গীত, জীৱন-সঙ্গীত এইদৰে তাক তিনি ভাগত ভাগ কৰা হৈছে। এয়েই 'ত্ৰিধাৰা' নামৰ প্ৰথম পৰিচয়।

জাতীয় গীত কেইটি ১৯৪২ চনৰ গণ-আন্দোলনৰ সময়ত কৰ্ম্মীসকলৰ তাগিদমতে ৰচনা কৰা। কৰ্ম্মীসকলৰ কেম্প বা পথৰ সঙ্গী ৰূপে ইয়াক তৈয়াৰ কৰা হৈছিল। জনসঙ্গীত কেইটাও তাৰে অনুসঙ্গী। তাৰে কেইটামানৰ ৰচনা হৈছিল জেলৰ ভিতৰত।

জীৱন সঙ্গীতৰ গীত কেইটি বৰ্ত্তমান ব্যক্তি জীৱনৰ স্বৰূপ প্ৰকাশ। নৈৰাশ্য, ব্যৰ্থতাৰ মাজেদি কল্পনাৰ পৰা বাস্তৱলৈ জীৱনৰ গতি পৰিবৰ্ত্তনৰ ই ৰূপাঙ্কন।

* * *

'ত্ৰিধাৰাত থকা প্ৰত্যেকটো কৱিতাতে নতুন ধৰণৰ সুৰ দিয়া হৈছে। সুৰৰ ফালে চাওঁতে হয়তো ক'ৰবাত কৱিতাৰ ছন্দৰ ওপৰত আঘাতো পৰিছে। কৱিতাৰ ভিতৰৰ ভাৱৰ লগত অতি ঘনিষ্ঠ সম্বন্ধ ৰাখিয়ে সুৰ সমাবেশ কৰা হৈছে বা সুৰকেই শব্দ-ছন্দ-সজ্জাৰে সজাই কৱিতা কৰা হৈছে। সুৰ লেখকৰ নিজা।

কোনোবাই ইয়াৰ কৱিতা গান হিচাবে ব্যৱহাৰ ( ৰেকৰ্ড বা অইন প্ৰকাৰে ) কৰিব খুজিলে সুৰৰ কাৰণে লেখকলৈ লিখিব ।

কৱিতাৰ ভাবক সজীৱ আৰু প্ৰাণময় কৰি নৱতম সুৰেৰে কৱিতা কেইটিক অতি উপাদেয় গান কৰা হৈছে বুলি কৰা কলাসাধক সকলৰ মন্তব্য—লেখকৰ বাবে অতি মূল্যবান আৰু প্ৰেৰণাদায়ক ।

বন্দে মাতৰম্

বন্দে মাতৰম্
বন্দে মাতৰম্
এই মন্ত্ৰ মাতি
উঠাহে জাতি
কৰাহে মুক্তি অভিযান ।

কোনে নিয়ে আমাৰ স্বাধিকাৰ
আছে ভাত কাৰ অধিকাৰ
ই যে আমাৰ আমাৰ—
জীৱন সমান ।
বন্দে মাতৰম্................

অজ্ঞ আমি, আমাৰ বাবেই
অন্ধ আমি, আমাৰ দোষেই
স্বাধীন ভাৰত পৰ পদানত
লাঞ্ছিত আজি পৰৰ হাতত'
ঘুচোৱা— ঘুচোৱা, ভাৰতৰ—
এই অপমান
বন্দে মাতৰম্...............

আহা ভনী ভাই
আহা আগুৱাই
কৰা বলিদান, স্বাৰ্থ অভিমান
একেই নিচান হাতত লোৱা
সুখী দুখী সবে একেই হোৱা
কৰা— কৰা— ভাৰতক
মুক্ত মহান।
বন্দে মাতৰম ...............

# স্বাধীন ভাৰত

বন্দী ভাৰত মাতা
মুক্ত তুমি আজি উঠা ।

জাগ্ৰত তব সন্তান
দিকে দিকে আগুৱান
দলে দলে—
ন-যোৱান

শুনা—শুনা জয়গান
সংগ্ৰাম ভেৰী আহ্বান
ভাঙা ভাঙা কাৰাগাৰ
দাসত্ব শিবিৰ কৰা চুৰমাৰ ।

ভাঙা ভাঙা যত আইন কৰল
খেদা কাৰা বন্দী দল
উৰুৱা—উৰ্দ্ধগগণে মুক্তি পতাকা
গোৱা গোৱা—মুক্ত ভাৰত মাতা ।

গোলাম ভাৰত আৰু নাই
স্বাধীন ভাৰত, আমি নিৰ্ভয়
গোলাম আজিও যত ভাৰত সন্তান
এৰা গোলামি—ভীৰুতা আৰাম ।

গঢ়া—শত্ৰু বিতাৰি গঢ়া
সোণৰ ভাৰত, পুনু গঢ়া
কৰা শত্ৰু জয়
হোৱা নিৰ্ভয়
আগুৱা—শক্তি-মন্ত্ৰ মাতি আগুৱা
গোৱা—জয় জয় ভাৰত ভাগ্যবিধাতা ।

# বন্দী অসম

উঠাহে জাতি
উঠাহে আজি
মিলন মন্ত্ৰ শক্তিৰে !
পৰাধীনতাৰ বন্ধন শিকলি
পেলোৱা ছিঁণ্ড—ভৰিৰে ।

ভাৰত ভূমিৰ অসম সন্তান
আক কি প্ৰাণত সয়
তোৰ জননীৰ দুঃখ অপমান
তোৰেই আগতে হয়
হাতত শিকলি
ভৰিত শিকলি
এই কি জননী বেশ
নালাগেনে লাজ
নাই নেকি তেজ
প্ৰাণত শকতি লেশ ।

উঠা— জাগা—
জাগাহে যৌৱন দৰে
উন্নত উচ্চ শিৰে
মিলন ঐক্য শক্তিৰে ।

# বিদ্ৰোহী জনতা

হে বিদ্ৰোহী জনতা
যা—আগুৱা, আগুৱা

শুন ডাক—হ হুচিয়াৰ
শুন ডাক—ল হাতিয়াৰ
তোৰ হাতে গঢ়া দুনিয়াত
তোৰে নাই অধিকাৰ—?
কৰ কৰ অধিকাৰ
কৰ আজি অধিকাৰ।

সঞ্চাৰি উন্মাদ নতুন প্ৰাণ
চলা জনতাৰ নব অভিযান
আন আলো আন
ৰক্ত উষাৰ
ভেদি ই মৰণ-অন্ধকাৰ
জয় গা জয় গা জনতাৰ
জয় গা জয় গা জনতাৰ।

দলি ই দানৱ দস্যু দল
ভাঙ তাৰ ৰক্ত-শোষণ-কল
জ্বলা জুই জ্বলা ধ্বংস চিতাৰ
জ্বলা পিশাচৰ পাষাণ প্ৰাকাৰ
পুৰি কৰ শেষ ছাৰখাৰ
জ্বলা জুই জ্বলা বুভুক্ষাৰ।

জাগক যতেক লাঞ্ছিত প্ৰাণ
সঞ্চিত তাৰ যত অভিমান
বঞ্চিত নিঃস্ব যত কাঙাল
কৰকহে এবাৰ ৰক্ত স্নান
হব হব শেষ সৰ্ব্বনাশ
যাব যাব এই অভিসম্পাত।

শুন শুন সবে শুন
ক্ষুধা পীড়িতৰ কৰুণ বোল
অনাহাৰ অন্ন-হাহাকাৰ
পশু মানুহৰ একে আকাৰ
আজি কৰ তাৰ অৱসান
আজি কৰ তাৰ অৱসান

চা চা চা সৰে চা
কঙ্কালে কঙ্কালে জাগিছে চা
মুক্ত পাগল সবল প্ৰাণ
গায় শুন গায় বিজয় গান
খোজে তাৰ লুপ্ত অধিকাৰ
নৱ জীৱনৰ নৱ সংসাৰ।

আহ আহ সবে আহ
তহঁতে গঢ়িবি জনতা ৰাজ
তহঁতে কৰিবি সফল আমাৰ
স্বপ্ন সাধনা নয়া ডুনিয়াৰ
তহঁতে নবীন ভাবী সমাজ
ৰক্ত-মুকুল যুগ-বিকাশ।

# বন্দী বিদায়

বিদায় বিদায়—কাৰা বন্ধু হে মোৰ
বিদায় বিদায় ।

যোৱা তুমি যি বাটেই
জাগে প্ৰাণ প্ৰাণে প্ৰাণে
বাজে প্ৰতি কণ্ঠে কণ্ঠে
মুক্তি আমাৰ
( লাগে ) মুক্তি আমাৰ ।

খুলিছে দুৱাৰ ৰুদ্ধ কাৰাৰ
বাহিৰে চোৱা জীৱন আমাৰ
কি ৰুদ্ধ দুঃসহ বেদনাৰ
উঠে—কৰুণ আৰ্ত্ত হাহাকাৰ
অসহায়— নিৰুপায়

যোৱা তেজৰ টোপাল ঢালি
মুক্তি অনল জ্বালি
গলোৱা শিকলি জ্বলোৱা হৃদয় জনতাৰ
শ্ৰেণীৰ প্ৰাচীৰ ভাঙি গঢ়া প্ৰাণ সমতাৰ।

উঠিছে বুকুত শক্তি জোৱাৰ
ধূলিত মলিন ভাগ্য-হাৰাৰ
পৃথিৱী কঁপাই তুলিছে নাদ
ইদেশ আমাৰ ইদেশ আমাৰ;

আমিয়ে গঢ়িম আমাৰ স্বদেশ
ভাঙি এই জীৰ্ণ কাৰাগাৰ।

## সৰ্ব্বহাৰাৰ গান

সৰ্ব্বহাৰা আমি
মুক্তি যুঁজাক আজি।
জিনিলে পাম নতুন জগত
হাৰিলে কি আছে হানি।
সৰ্ব্বহাৰা আমি……

কি আছে আমাৰ
কি আম হেৰাম
গলে যাব ই হাতৰ শিকলি
যাব ই গোলাম প্ৰাণ;
ঘুমাৰ ক্ষুধাৰ অগনি
যাব ই দৈন্য গ্লানি।
সৰ্ব্বহাৰা আমি… …

করিব লাগিব মরণ পণ
যুঁজিব লাগিব কঠিন রণ
জিনিব লাগিব, জিনিব লাগিব
জিনিব লাগিব রণ।
জিনিব লাগিব রণ ॥

জিনিলে যাব ই ধনীর অত্যাচার
মিলিব এখন নতুন জগত
ধনী দুখী একাকার

আমি—তারেই স্রষ্টা আজি
যত—সর্ব্বহারা আমি।

# অন্ধকাৰৰ পথিক

দুঃখৰ কোলাত জনম আমাৰ
দুখেই পথৰ পাথেয় হ'ল
দুখেই আমাৰ ক্ষুধাৰ আধাৰ
দুখেই টানিছে মৰণ ভোল।

শ্ৰমেই আমাৰ জীৱন আয়ু
শৰীৰ আমাৰ পণ্য
শ্ৰমিক আমি, নাই ভেটি মাটি
জীৱন আমাৰ শূন্য।

বিশাল ধৰ' নিৰ্মিলে আমাৰ
কতোই অকণি থল
মাটিৰ বুকুত সোণা গঢ়ি
আমি ভিখাৰীৰ দল।

অন্ধকাৰৰ পথিক আমি
আমাৰ ওৰেই জীৱন নিশা
ক্ষুধা অপমানৰ জ্বালাত
জ্বলিছে বুকুত চিতা।

আমাৰ হাতত নাচিছে জগত
আমি মৰাৰ দল
আমাৰ তেজেৰে মাটিৰ পৃথিৱী
বিলাস- স্বৰ্গ হ'ল ।

হেৰ' উঠ, হেৰ' উঠ—তুচকু মোহাৰি চা
তোৰ জীৱনৰ দুখৰ পাৰত—উদিছে ৰঙীন উষা
কম্পিত কৰি ধৰণীতল আহিছে নতুন ধল
ৰজা জমীদাৰ ধনিক বণিক সকলো বিলীন হ'ল
তোৰ দুঃখে জ্বলালে মুক্তি দীপালী
উজ্জ্বল জলমল ।

## জয়-শিখা

দুঃখে যদি মোৰ উষা আকাশৰ
ঢাকিলে আলোৰ দিশা
সেয়ে হব জয় শিখা
সেয়ে হব জয় শিখা ।

হিয়াত উজ্বলে যৌৱন দীপ
সৃষ্টিৰ আকুল তৃষা
সেয়ে হব পথ শিখা
সেয়ে হব পথ শিখা ।

দুঃখ হব মোৰ জয়ৰ মুকুট
ডিঙিৰ কণ্ঠহাৰ
মাটিৰ যেয়ে নিকটবাসী
সেয়ে হব আপোনাৰ

দুঃখৰ বাঁহীটি লই সৰ্ব্বহাৰাৰ
বজাম দীপক সুৰ দীন দুনিয়াৰ
জ্বলিব সুৰত
বিশ্ব অঙ্গাই
মুক্তি অগনি শিখা,
দূৰ হব দুঃখ নিশা
দূৰ হব দুঃখ নিশা।

দুঃখৰ তিমিৰ তৰঙ্গ ঠেলি
উষাৰ আকাশী দুৱাৰ মেলি
ধৰাৰ শিৰত দিবহি আঁকি
অৰুণে আলোৰ ৰেখা
উজলাই দশোদিশা
উজলাই দশোদিশা।

# পৃথিবীৰ স'তে যাত্ৰা

মই যাওঁ, মই যাওঁ, মই যাওঁ,
এই— বিশাল পৃথিৱী স'তে যাওঁ।

য'ত আছে প্ৰাণ
প্ৰাণৰ আহ্বান
সেই প্ৰাণ দেখলই যাওঁ
এই—বিজন সঁজাটি এৰি যাওঁ।

ভেদি ই অন্ধ কাৰা
অবুজ প্ৰাণৰ মমতা ভৰা
সবুজ পৃথিৱী চাই যাওঁ
প্ৰাণে প্ৰাণে প্ৰাণ ঢালি যাওঁ।

সঙ্কীৰ্ণ যদিওবা মন
শঙ্কিত ভীৰু হিয়াখন
আজি সিযে অধীৰ চঞ্চল
ব্যথাতুৰ দুনিয়াৰ বেথাত বিহ্বল
আজি উৰ্দ্ধে উঠিছে ঠেলি ভয়
মায়াৰ পৰশ কৰি জয় ;
সেই হিয়া ৰথে উৰি যাওঁ
বেদনাৰ জয় গাই যাওঁ

# জীৱন বন্ধন

এই বন্ধন ডোল
প্ৰিয় মোৰ
নহয় নহয় ই
শিকলি সোণৰ
ই যে মোৰ গানৰ মালা
জীৱনৰ ছন্দে গাঁথা
নিৰজনে নিশিদিন

দিন যাব পথ মাজে
পথ যাব পাছে পাছে
স্মৃতি যাব বহু দূৰ
প্ৰাণ হব প্ৰাণে হাৰা সুৰ ;
গান মোৰ ৰব চিৰদিন
নানাসুৰে ভৰি বীণ।

তোমাৰ সোণৰ ভৰণীখনি যদি
মোৰ গানস্ৰোতে যায় প্ৰিয় ডুবি
ব্যথা যদি লাগে তব প্ৰাণে
সেই ব্যথা মোৰ গানে
কিমতে বহিব—হে প্ৰিয়
কতদূৰ কতদিন।

প্ৰিয়— ই পথে আহিলা যদি তুমি
তোমাৰ সোণৰ অতীত যোৱা ভুলি
সোণৰ বেণুত নাই প্ৰিয় নাই
জীৱনৰ সৌৰভ নাই
সোণৰ বুলনি লাগি কোনো দিন
নাবাজে জীৱন বীণ।

———

## বালিচৰ

অ' মোৰ অবুজ প্ৰাণ
তই আপোন আশে বাৰে বাৰে
খুজিছ হৃদয় কাৰ।

ৰুদ্ধ দুৱাৰ ৰুদ্ধ দুৱাৰ ৰুদ্ধ সকলো দ্বাৰ
ঘৰে ঘৰে জ্বলে কত যে প্ৰদীপ
তোৰ জীৱন অন্ধকাৰ।
তোক কোনে নিব অই
আপোন কৰি
তই খুজিছ হৃদয় কাৰ।

তোৰ আপোনাৰ সৱ
অৱহেলি থই—এৰিলি আপোন ঘৰ
কোন অজানাৰ স'তে ভুলৰ ভুৰত
উঠিলিহি বালিচৰ।

উজান ধাৰাত গ'ল বালিচৰ
পালিহি বিজন পাৰ
নিজকে হেৰাই দিশ-হাৰা তই
খুজিছ হৃদয় কাৰ।

নিজম অপাৰ গহীন আন্ধাৰ
আলোহীন নিৰাশাৰ
নভোতল জুৰি বৰষাৰ মেঘ
মেঘে ঢকা চাৰিধাৰ ।

বল—উভতি নাচাৰি বল
বল য'তে নিতে ধৰণীৰ প্ৰাণ
ধূলি মাজে হয় লীন অৱসান;
ল—ল কৰি তাকে তোৰ আপোনাৰ
এৰ বালিচৰ কামনাৰ।

— — — —

# স্মৃতিৰ সমাধি

অ' তই গহীন ৰাতি
তই গুচাইছ কিয় আৱৰণ খনি
ঢাকি থোৱা দুখ স্মৃতি ।

মোৰ—কন্দিত হিয়াত লেখনী বুলাই
লিখিছ বিষাদ গীতি
হিয়াৰ শোণিতে তুলিকা বোলাই
ৰাঙলী কৰিছ হৃদি ।

অতীতৰ সেই মধুময় দিন
অকথিত নানা কথা
মলিন দিনৰ সৰা ফুল যেন
সৰি গল ঢালি ব্যথা
সুৰ-হাৰা হল প্ৰাণৰ বীণাটি
মালাতে লুকাল মালাৰে সুৰভি ।

সেই ভুলা পথ কাষে কাষে তাৰ
সুনীল সাগৰ বেলা
শ্যামল বননি, মাজে মাজে তাৰ
শুভ্ৰ কুসুম খেলা

তারে মাজে মাজে একা বেঁকা পথে
ঘূরি করিছিলো কত আনন্দ
ধরি হাতে হাতে তুলি বনফুল
রচি জীবন লীলার ছন্দ।

শেষ হল সেই অভিনয়
সুর মাখো বল বাজি
হিয়ার তলিত পরি র'ল তারে
স্মৃতির সঞ্চয় রাশি।

— —— —

## ভুল

যদি ভুলতে হৃদয়ে হৃদয়ত
ফুলৰ বুকুত গন্ধ-সম
বিলায় আপোন হুৰষত।

সেই ভুলে কিযে আনিলে দিবা
ভুবন ভৰি উজল বিভা
জীৱন লীলাৰ অমৰ ছন্দ
নিখিল প্ৰাণৰ অনুভৱ।

*　*　*

যাৰ নয়নৰ পলক পৰি
ধুলিৰ ধৰাত সৰগ নামে
যাৰ হৃদয়ৰ বেদিকা ঘেৰি
সাধনা মোৰ সফল মানে

সেই সৰে যদি ভুল
ভুলৰ সপোন
তেনে—জীৱনে ভুলৰ
খেলা-ঘৰ।

## সমাপন

সমাপন য'ত পূজা তো
ফিৰা ফিৰা তোৰ মুখ।

তোৰ বন্ধনে য'ত নাপায় খুজি
প্ৰাণৰ আপোন সুৰ
প্ৰাণ য'ত বহুদূৰ;
যত কথা যত বেথা
বাজে য'ত— বেসুৰ বেসুৰ।
ফিৰা ফিৰা তোৰ মুখ।

## ত্ৰিধাৰা

যি নদী আনিছিল দুকুল ভৰি
প্ৰশান্ত মিলন ধাৰা
ফুটিছিল য'ত শত সাধনা
শত বসন্ত শত পূৰ্ণিমা
—আনন্দ বেদনা;
আজি নাই, আজি নাই
সেই নদী বুকে আজি নাই
মিলনৰ এটিও কণিকা
মৰমৰ বাণী বিনিময়
প্ৰাণে প্ৰাণে
কোনো পৰিচয়।

আকাশ-ধৰণী কুসুম-মলয়া
বিমুখ বিমুখ
ফিৰা ফিৰা তোৰ মুখ।